**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-April-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

সাদিনীয়া ৰঙালী বিহুৰ আজি শেষৰটো দিন ৰাজ্যত চোৰা বিহু হিচাপে পালন কৰা হৈছে। চেৰা শব্দৰ অৰ্থ হ'ল- অৱসান বা সামৰণি। এই দিনটোত ৰঙালী বিহুৰ আনুষ্ঠানিক বিদায় জনোৱা হয়। অসমৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উজনি অসমৰ জিলাসমূহত কোনো কোনোৱে হাতত হাচতি লৈ গছৰ গুৰিত বা মুকলি ঠাইত বিহু উৰাই আহে। উজনি-নামনি উভয়তে আজিৰ দিনটোত সাতশাকী বা সাতবিধ শাকৰ ব্যঞ্জন খোৱাৰ নিয়ম আছে। পৰম্পৰা অনুসৰি এই দিনটোত বিহুৱা-বিহুৱতীসকলে তেওঁলোকৰ বিহুৰ সাজপাৰ আৰু বাদ্যযন্ত্ৰসমূহ সযতনে থৈ দিয়ে। অৰ্থাৎ বিহুৰ সামৰণি মাৰে। চেৰা বিহুৰ লগে লগে অসমীয়া সমাজত বসন্তৰ আগমনৰ বাৰ্তা কঢ়িয়াই অনা ৰঙালী বিহুৰ আনুষ্ঠানিকতাৰ সামৰণি পৰে।

ৰঙালী বিহুৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ পাৰম্পৰিক বসন্ত উৎসৱসমূহো উলহ-মালহেৰে   পালন কৰা হৈছে। দুদিনীয়া কাৰ্যসূচীৰে কালিৰে পৰা আৰম্ভ হোৱা শৰণীয়া কছাৰীসকলৰ বাঁহ গোঁসাই উৎসৱৰ আজি দ্বিতীয় দিন।  তামুলপুৰৰ বৰনগৰত থকা ৰাজহুৱা খেলপথাৰত এই উদ্দেশ্যে বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰঙালী বিহু উপলক্ষে ডিব্ৰুগড় জিলাৰ কৰ্মৰত সাংবাদিকসকলে কালি ৰাইজৰ ঘৰে ঘৰে গৈ হুচৰি গায়। বিভিন্ন সংবাদপত্ৰ আৰু বৈদ্যুতিন মাধ্যমত কাম কৰা সাংবাদিকসকলে কৰ্ম ব্যস্ততাৰ মাজতো ২০১১ চনৰে পৰা এইদৰে বিহু পালন কৰি আহিছে।

oooooo

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টৰ পৰা দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। বিষয়াসকলক জুনৰ পৰা লোকপিয়লৰ প্ৰশিক্ষণ দিয়া হ'ব। ৰাজ্যিক লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে এই বিষয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দেশৰ অন্যান্য ঠাইসমূহত ইতিমধ্যে যোৱা এক এপ্ৰিলৰ পৰা লোকপিয়ল আৰম্ভ হৈছে। অসম, তামিলনাডু, পশ্চিমবংগ, কেৰলম আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া পলমকৈ আৰম্ভ হ'ব।

দেশৰ ষোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্পৰ ব্যৱস্থা কৰা হৈছে। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান

কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগণনালৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত গুৱাহাটীত কালি বিৰোধী ঐক্যমঞ্চৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈকে ধৰি বিৰোধী ঐক্যমঞ্চৰ হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা শতাধিক প্ৰাৰ্থী উপস্থিত থাকে। বৈঠকত নিৰ্বাচনৰ সময়ছোৱাত প্ৰাৰ্থীসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বান, ভোটগণনাৰ পাছত বিৰোধী মিত্ৰজোঁটৰ পৰৱৰ্তী ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰা হয়। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁলোকৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিসমূহৰ কথা উল্লেখ কৰি এইসমূহ কাৰ্যকৰী কৰাৰ বাবে তেওঁলোকে কাম কৰি যাব বুলি প্ৰকাশ কৰে।

০০০০০০

সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ অসম আৰু আউনীআটী বিশ্ববিদ্যালয়ৰ মাজত কালি ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ চ'ৰাত এখন বুজাবুজি চুক্তি সম্পন্ন হয়। এই চুক্তি অনুসৰি অনাগত দিনসমূহত পৰিষদ আৰু বিশ্ববিদ্যালয়ৰ যুটীয়া প্ৰচেষ্টাত সত্ৰীয়া গীত, নৃত্য, বাদ্যকে ধৰি ভাস্কৰ্য্য, শিল্পকলা আদি শিল্পসমূহ জনসাধাৰণৰ মাজলৈ বিশেষকৈ নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হ'ব। এই অনুষ্ঠানত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয় আচাৰ্য্য ডঃ পিতাম্বৰদেৱ গোস্বামী, গড়মুৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ দেবানন্দদেৱ গোস্বামী পৰিষদৰ সচিবকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**